জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২৫/২০২১

## পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

# পেঞ্চনাৰসকলক সৰ্বোৎকৃষ্ট সেৱা প্ৰদানৰ বাবে এক সংহত পদ্ধতি অৱলম্বনৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৭ অক্টোবৰ ঃ** অসৰৱৰ পিছত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক পেঞ্চন প্ৰদানৰ দিশত এক যুগান্তকাৰী পৰিৱৰ্তন সাধন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

উক্ত বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই পেঞ্চন সম্বন্ধীয় সকলো নথি 'কৃতজ্ঞতা' (পেঞ্চন পেমেণ্ট এণ্ড ট্ৰেকিং চিষ্টেম) পোৰ্টেলৰ জৰিয়তে অনলাইনৰ মাধ্যমেৰে দাখিলৰ বাবে নিৰ্দেশ দিয়ে। ইয়াৰ বাবে সকলোবোৰ জিলাৰ সকলো চৰকাৰী বিভাগৰ বাবে সেৱা কেন্দ্ৰ স্থাপন কৰা হ'ব যাতে শিক্ষা বিভাগকে ধৰি সকলো বিভাগে পেঞ্চন সম্বন্ধীয় নথি অনলাইনৰ জৰিয়তে দাখিল কৰিব পাৰে।

পেঞ্চন সম্বন্ধীয় বিষয়সমূহৰ বিভিন্ন প্ৰয়োজনীয়তা পূৰণৰ বাবে পেঞ্চন সঞ্চালকে ডিজিটেল স্বাক্ষৰ ব্যৱহাৰ কৰিব। কোনো চৰকাৰী কৰ্মচাৰীৰ ৩ লাখ টকালৈকে অতিৰিক্ত আদায় থাকিলে বিষয়টোৰ গুৰুত্ব অনুসৰি পেঞ্চন সঞ্চালকক ৰেহাই সম্বন্ধীয় সিদ্ধান্ত প্ৰদানৰ কৰ্তৃত্ব প্ৰদান কৰা হ'ব। চৰকাৰী কৰ্মচাৰী এগৰাকীৰ অৱসৰ গ্ৰহণৰ দিনাংকৰ এবছৰৰ পূৰ্বৰে পৰা পেঞ্চনৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

পেঞ্চনৰ বিষয়সমূহৰ নিষ্পত্তিৰ দিশটো দ্ৰুততৰ কৰাৰ বাবে এন আই চিয়ে 'কৃতজ্ঞতা' পোৰ্টেলৰ সৈতে এক সংহত কোষাগাৰ ব্যৱস্থাপনা তথ্য পদ্ধতিৰ ব্যৱস্থা কৰিব যাতে বিভিন্ন বিষয়ববীয়াসকলে একে সময়তে কৰি থকা কাম-কাজসমূহ বুজ ল'ব পাৰে।

এতিয়াৰ পৰা ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ সকলে তেওঁলোকৰ জীৱিতৰ প্ৰমাণপত্ৰ (লাইফ চাৰ্টিফিকেট) 'জীৱন প্ৰমাণ' নামৰ এক বায়'মেট্ৰিক্স সেৱাৰ জৰিয়তে সংশ্লিষ্ট বেংকৰ শাখাসমূহত দাখিল কৰিব পাৰিব। ৰাজ্য চৰকাৰে এই সম্বন্ধীয় প্ৰয়োজনীয় জাননী জাৰি কৰিব। কমুটেশ্যন সম্বন্ধীয় বিষয়সমূহৰ বাবে ৰাজ্যখনৰ ৮ খন চিকিৎসা মহাবিদ্যালয়ক মেডিকেল ব'ৰ্ড গঠনৰ দিশত কৰ্তৃত্ব প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিষয়ববীয়াসকলক এক উৎকৰ্ষতা পদ্ধতি অৱলম্বনৰ বাবে নিয়মীয়া বৈঠকৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে যাতে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰ সকলে ইয়াৰ সা-সুবিধা সমূহ ক্ষিপ্ৰভাৱে লাভ কৰিব পাৰে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, প্ৰিঞ্চিপাল এ জি গুলজাৰি লাল, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**১৭-১০-২০২১**